**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-09-2026 **Time :** 1100 Hrs.

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আজি ৰাজ্যজুৰি পৰম্পৰাগত ৰীতি-নীতিৰে উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হৈছে। জন্মাষ্টমী উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে জনসাধাৰণক শুভেচ্ছা জনাইছে। ড০ শৰ্মাই এই জন্মাষ্টমীয়ে প্ৰতিটো পৰিয়াললৈ সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনক বুলি আশা প্ৰকাশ কৰিছে।সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভগৱান শ্ৰীকৃষ্ণৰ জীৱনাদৰ্শ, গীতা জ্ঞান আৰু কৰ্মৰ বাণীয়ে প্ৰতিগৰাকী লোকক সত্য, ন্যায়, ধৰ্ম আৰু মানৱীয়তাৰ পথত আগুৱাই যোৱাৰ প্ৰেৰণা যোগাব বুলি আশা প্ৰকাশ কৰিছে। জন্মাষ্টমী উপলক্ষে ৰাজ্যখনৰ সত্ৰ-নামঘৰ আৰু মন্দিৰসমূহৰ লগতে ঘৰে ঘৰে ব্যাপক আয়োজন চলিছে। ৰাজ্যখনৰ চৌদিশ কৃষ্ণ বন্দনাৰে মুখৰিত হৈ উঠিছে। উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত দৌল গোবিন্দ মন্দিৰতো বৰ্ণাঢ্য কাৰ্যসূচীৰ জন্মাষ্টমী উদযাপন কৰা হ'ব। বিগত বৰ্ষৰ দৰে এইবেলিও মন্দিৰৰ পৰম্পৰাগত বৈদিক ৰীতি-নীতিৰে জন্মাষ্টমীৰ আয়োজন কৰা হৈছে। দুপৰীয়া লগ্ন অনুসৰি মন্দিৰৰ বিগ্ৰহ মূল মণিকূটৰ পৰা উলিয়াই পূজাৰ বেদীত স্থাপন কৰি পূজা-অৰ্চনা কৰা হ'ব। লগতে দৌলগোবিন্দ মন্দিৰত নাম-প্ৰসংগও হ'ব।

বাইট (উদ্যোক্তা)

সত্ৰনগৰী মাজুলী, বৰপেটা, বটদ্ৰৱা আদিৰ লগতে ৰাজ্যখনৰ সত্ৰ আৰু পুৱাৰে পৰাই নামঘৰসমূহত জন্মাষ্টমী উপলক্ষে ভকত আৰু আয়তীসকলৰ নাম-প্ৰসংগ, গীত-নৃত্য অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে।

বৰপেটা জিলাৰ সত্ৰ নামঘৰসমূহতো উলহ-মালহেৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উদযাপন কৰা হৈছে। বৰপেটা সত্ৰত পুৱাৰ প্ৰসঙ্গৰ পৰা আৰম্ভ কৰি মাজনিশালৈ সত্ৰীয়া পৰম্পৰা অনুসৰি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। নিশা কৃষ্ণ জন্মৰ নাটিকা পৰম্পৰাগতভাৱে পৰিবেশন কৰা হ'ব। জন্মাষ্টমীৰ দিনটোত বৰপেটাৰ কিশোৰী আৰু যুৱতীসকলে উপবাসে থকাটো এটা পৰম্পৰা। নিশা শ্ৰীকৃষ্ণৰ জন্মৰ পাছতহে এই উপবাস ভংগ কৰা হয়। সৰভোগৰ শ্ৰীশ্ৰী গৰখীয়া গোঁসাই থানতো জন্মাষ্টমী পালন কৰা হয়। প্ৰতি বছৰে থানখনত আজিৰ দিনটোত পুৱাৰে পৰা বহু ভক্তৰ সমাগম হৈ আহিছে। ইয়াৰ উপৰি পাটবাউসীৰ শ্ৰীশ্ৰী শংকৰদেৱ থান সত্ৰ, গণককুছি সত্ৰতো সত্ৰীয়া নীতি-নিয়মেৰে জন্মাষ্টমী পালন কৰা হৈছে।

শিলচৰৰ শ্যাম সুন্দৰ আখৰা, ৰাধা মাধৱ আখৰা, গোপাল আখৰা, গৌৰী মঠসহ বিশ্ব হিন্দু পৰিষদৰ পৰিচালিত গোবিন্দবাৰীতো জন্মাষ্টমীৰ আয়োজন কৰা হৈছে।

ইপিনে, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে নলবাৰী জিলাৰ উলাবৰীত পাগলাদিয়া নদীৰ বুকুত এখন পৰম্পৰাগত নাও খেল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উলাবৰী হিতসাধিনী পুথিভঁৰালৰ উদ্যোগত আয়োজিত ৮৩ সংখ্যক নাও খেল প্ৰতিযোগিতাত ভিন্ন প্ৰান্তৰ পৰা অহা ১৫খন খেল নাৱে অংশগ্ৰহণ কৰিব। বিয়লি ২ বজাত নাও খেল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, সাধাৰণ প্ৰশাসন আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰৰ পৰা নুমলীগড়লৈ নিৰ্মাণ হ'ব লগা কাজিৰঙা এলিভেটেড কৰিডৰৰ নিৰ্মাণকাৰ্যৰ সৈতে জড়িত বিভিন্ন প্ৰক্ৰিয়া আৰু প্ৰস্তুতিমূলক কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। কলিয়াবৰ সমজিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত তেওঁ লগতে কলিয়াবৰৰ পথ সুৰক্ষা ব্যৱস্থাৰ সৈতে জড়িত বিভিন্ন দিশসমূহো পৰ্যালোচনা কৰে। তেওঁ ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন স্থানত সৃষ্টি হোৱা ভগা অংশ আৰু গাঁতসমূহ শীঘ্ৰেই মেৰামতি কৰাৰ নিৰ্দেশ দিয়ে। সংশ্লিষ্ট কৰ্তৃপক্ষই এইক্ষেত্ৰত শীঘ্ৰেই প্ৰয়োজনীয় মেৰামতিৰ কাম সম্পন্ন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীক আশ্বাস দিয়ে। এই পৰ্যালোচনা বৈঠকত প্ৰশাসনৰ বিষয়াসকলৰ লগতে জিলা পৰিবহণ বিষয়া, ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড আৰু ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ কৰ্তৃপক্ষৰ বিষয়া, সমজিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষককে ধৰি আন সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

0000000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত উচ্চ শিক্ষা শিতানত কৃতি শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণ সংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক তথা লেখক ড০ অংকুৰণ দত্তৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব জিন্টী ৰাণী ডেকাই।

00000000

যোৰহাট জিলাৰ ক্ৰীড়া সন্থাৰ উদ্যোগত আজি ৬০ সংখ্যক এ টি পি এ শ্বিল্ড ফুটবল প্ৰতিযোগিতা আৰম্ভ হ'ব। যোৰহাট ষ্টেডিয়ামত হ'বলগীয়া আজিৰ উদ্বোধনী খেলখন যোৰহাটৰ ভিক্ট'ৰিয়া ক্লাব আৰু এন আৰ এল ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। এইবাৰৰ প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ ১০ টা দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত ভাগ লোৱা আন দলসমূহ হৈছে – দুলীয়াজানৰ অইল ইণ্ডিয়া একাদশ, অসম পুলিচ ব্লুজ, নৰ্থ ইষ্ট ইউনাইটেড, এ এছ্ ই বি, যোৰহাট টাউন ক্লাব, ব্ৰহ্মপুত্ৰ ডলফিন, মণিপুৰৰ আছুপি ফুটবল ক্লাব আৰু ফুটবল ফৰ চেঞ্জ।

0000000

**সমাপ্ত**